# কোন আছে শঙ্কৰৰ সমান?

জন্ম, জীৱন, যৌৱন উচ্ছাসেৰে আমি ব্যক্তি অস্তিত্বৰ ঘোষণা কৰিলোঁ সঁচা;

অকণমান পৃথিৱী, অকণমান আকাশ, সূৰুযৰ অকণি প্ৰকাশ, মলয়াৰ মৃদু লাস্যৰে, হৃদয়ৰ ভাৱনাৰে-কামনাৰে, তেজ-ঘাম-চকুলোৰে এটা এটা পৰিয়ালো গঢ়িলোঁ সঁচা,

কিন্তু সিমানতো আমি জানো এটা জাতি হ'লোঁ?

এইবোৰ দেখো ইতৰ প্ৰাণীতো বিদ্যমান!

এই উপাদানসমূহৰ জীৱনৰ কাৰণে আৱশ্যকতা আছে সঁচা। কিন্তু জাতি হিচাপে থিয় কৰিবৰ কাৰণে এয়াই যথেষ্ট নহয়। লাগে এটি সুৱদী ভাষা, এটি মনোৰমা সংস্কৃতি।

লৌহিত্যৰ দুয়োপাৰে কত জীৱনৰ যে প্ৰাণৰ প্ৰাচুৰ্যৰে, সৰৰ-নীৰৱ সাধনাৰে গঢ়ি উঠিছিল ভাষা, গঢ়ি উঠিছিল কৃষ্টি সংস্কৃতি। অসমীয়া ভাষা, অসমীয়া কৃষ্টি, অসমীয়া সংস্কৃতি।

কিন্তু বহুতো সমৃদ্ধ ভাষা, সমৃদ্ধ সংস্কৃতি থকা জাতিও স্থবিৰ হৈ ইতিহাসৰ পৃষ্ঠাত জমা হোৱা দেখা গৈছে। ব্যক্তিগত জীৱনক জীয়াই থকাৰ অৰ্থ দি জীৱন সংগ্ৰামত ব্ৰতী হৈ আগবঢ়াই নিবৰ কাৰণে যেনেকৈ সন্মুখত এটা সৰ্বশ্ৰেষ্ঠ জীৱন উদ্দেশ্য (Summun Bonum) লাগে ঠিক তেনেকৈয়ে জাতি এটাৰ জীৱনতো এটা পতিত পাৱন, পৰমকল্যাণময় উদ্দেশ্য আৰু উদ্দেশ্যৰ ঘোষণা (Logo) লাগিব। গদাৰ ঠন্‌ঠননি, লাঠীৰ কৰ্‌কৰণি, ঢাল-তৰোৱালৰ চিক্‌মিকনি আৰু ভৌতিক সম্পদৰ ধম্‌ধমনিত যি জাতিয়ে এই উদ্দেশ্য পাহৰি গ'ল সেই জাতি, সেই কৃষ্টি-সংস্কৃতি বিলুপ্ত হ'ল।

জাতি জীয়াই থাকে একো একোজন দ্ৰষ্টাপুৰুষ, যুগপুৰুষ, মহাপুৰুষে মহান উদ্দেশ্যৰ ঘোষণাৰে আঁকি দিয়া এখন পৰম পাৱন চিত্ৰক বাস্তৱত ৰূপায়ণ কৰাৰ ঐকান্তিক প্ৰচেষ্টাতহে। সুস্থভাৱে জীয়াই থাকি প্ৰগতিৰ পথত অহৰহ গতি কৰা প্ৰতিটো জাতিৰ মূলতে আছে এনে একো একোজন বা ততোধিক মহাপুৰুষ। এই





মহাপুৰুষসকলৰ উদ্দেশ্য আৰু সম্বোধন জগতৰ সমস্ত লোকৰ প্ৰতিয়েই হয়, কিন্তু হয় নিজ দেশৰ জনগণৰ মাধ্যমেৰেই, নিজ মাতৃভাষাৰ মাধ্যমেৰেই। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছে, — "ফল চপাবৰ কাৰণে আমি গছজোপাকে কাটি পেলাবৰ দৰকাৰ নাই। মানৱ সমাজ এখনক শুদ্ধ কৰিবলৈ গৈ নিজৰ পৰিয়াল বা জাতিটোক ধ্বংস কৰিবৰ আৱশ্যক নাই।" (We need not cut down the tree to gather the fruit, In order to perfect human society, it is not necessary for us to destroy the family or the nation. - *Preface to the 'Among the Great'.)*

অসমীয়া জাতি, অসমীয়া ভাষা-সংস্কৃতি ত্ৰিবাৰ, শতবাৰ, সহস্ৰবাৰ, ধন্য যে এই জাতিয়ে, এই ভাষাই সৰ্বকালৰ কাৰণে এজন মহাপুৰুষ পালে, যাৰ নেতৃত্বত গঢ়ি উঠিল এটি আদৰ্শ পুৰুষৰ সমূহ। আজি পাঁচশ বছৰ ধৰি কাকো শিকাই দিবলগীয়া হোৱা নাই এই মহাপুৰুষজন 'কোন' বুলি। ল'ৰাৰ পৰা বুঢ়ালৈকে, পণ্ডিতৰ পৰা মূৰ্খলৈকে, সুস্থৰ পৰা পাগললৈকে সকলোৱে জানে সেইজন কোন।

অসমীয়াৰ আটাইতকৈ মৰমৰ নাম, আটাইতকৈ শ্ৰদ্ধাৰ স্থল, অস্তিত্বৰ আটাইতকৈ বিশ্বাসনীয় আধাৰ, প্ৰেৰণাৰ আটাইতকৈ ডাঙৰ উৎস, পৰিত্ৰতাৰ আটাইতকৈ মহান চিহ্ন, মৃত্যু সময়ৰ শেষ ভাৰসাৰ জপমালা - চিন্তামণি হ'ল — **শ্ৰীমন্ত শঙ্কৰ**।

এইজন পুৰুষ ৰাজকুমাৰ হৈও সুৱৰ্ণ সিংহাসনত নবহি নিপীড়িত জনগণৰ কাৰণে **'কিঙ্কৰ'** হ'ল আৰু আজীৱন কিঙ্কৰ হৈয়ো চিৰকালৰ কাৰণে মানৱৰ হৃদয় সিংহাসনত বহিল। অস্ত্ৰধাৰী ৰজা বহে সোণৰ সিংহাসনত যিখন ভাগি যায়, ছিগি যায়, যিখন কোনোবাই কাঢ়ি লৈ যায়। কিন্তু মানৱপ্ৰেমী, বিশ্বপ্ৰেমী ঈশ্বৰভক্তিৰে হোৱা ৰজাৰ সিংহাসন ভাগিব কেনেকৈ, সেইখন কোনোবাই কাঢ়িব কেনেকৈ? নোৱাৰে, কেতিয়াও, কোনোকালে।

ডেনিয়েল ৱেবষ্টাৰে সজেই কৈছে —

স্থায়ীকৰণৰ কাৰণে —

যদি তুমি মাৰ্বল পাথৰেৰে কিবা সাজি উলিওৱা - সি নষ্ট হ'ব।

পিতলেৰে কিবা গঢ়া - সময়ে মচি পেলাব

যদি তুমি মন্দিৰ এটা সাজা - সেয়াও ধূলিসাৎ হ'ব

কিন্তু তুমি মানৱৰ অমৰ আত্মাৰ এটা উদ্দেশ্য দি ঈশ্বৰ বিশ্বাস আৰু মানৱ

প্ৰেমৰ প্ৰত্যয়েৰে কিবা এটা যদি খোদিত কৰা তেন্তে সেই কাৰ্যই অনন্ত কাললৈকে তোমাক জিলিকাই ৰাখিব।

হয় শ্ৰীমন্ত শঙ্কৰদেৱে কেৱল চিয়াঁহীৰে সাঁচিপাতত অনুবাদ সাহিত্যই লিখা নাছিল, বৰঞ্চ প্ৰতিজন ব্যক্তিৰ হৃদয়ত লিখি দিছিল জীৱনৰ উদ্দেশ্য, জীৱনৰ অৰ্থ আৰু জীৱনৰ সাৰ্থকতা। অসমীয়া জাতিটোৰ মাধ্যমেৰে সমস্ত মানৱ জাতিৰ কাৰণেই এটা উদাত্ত, মহান, মঙ্গলময়, কাৰ্যক্ৰম দি গৈছে। তেৰাই সম্বোধন কৰিছে 'শুনা নৰলোক', 'শুনা সৰ্বজন', 'শুনা সভাসদগণ' বুলি। অশান্তিত ভুগি থকা বিশ্ববাসীয়ে শ্ৰীমন্ত শঙ্কৰদেৱে দিয়া কাৰ্যক্ৰম হাতত ল'লে অশান্তি জানো জগতত থাকিব? তেন্তে সেই কাৰ্যক্ৰমনো কি?

"সমস্ত ভূততে ব্যাপি আছো মঞি হৰি।
সবাকো মানিবা তুমি বিষ্ণুবুদ্ধি কৰি।।
ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজান।।
বিশেষত মনুষ্যগণত যিটো নৰে।
বিষ্ণুবুদ্ধি সৰ্বদায়ে মোক মান্য কৰে।।
ঈৰিষা অসূয়া তিৰস্কাৰ অহংকাৰ।
সৰে নষ্ট হোৱে তেৱে তাৰক্ষণে তাৰ।।
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।" — *কীৰ্তন-ঘোষা*

আত্মশান্তি, সমাজশান্তি আৰু বিশ্বশান্তিৰ এয়া অমোঘ মন্ত্ৰ। ইয়াত আদৰ্শ অৰ্থশাস্ত্ৰ, আদৰ্শ ৰাজনীতি শাস্ত্ৰ, আদৰ্শ পৰ্যাৱৰণ শাস্ত্ৰ, আদৰ্শ নীতি আৰু আধ্যাত্মশাস্ত্ৰৰ এক দিব্য ৰসায়ন প্ৰস্তুত কৰি থোৱা আছে। এটা জাতিৰ বাল্যাৱস্থাৰ কাৰণে এয়া বাল জন্মঘূঁটী, যুৱাৱস্থাৰ কাৰণে পীযুষধাৰা আৰু মুমূৰ্ষু জাতিৰ কাৰণে এয়া মকৰধ্বজ, অমৃত।

প্ৰতিটো জাতিৰ কাৰণে নিজা নিজা একো একোটা মূলমন্ত্ৰ আছে, যেনে ভাৰতৰ মূলমন্ত্ৰ হ'ল —

'সত্যমেৱ জয়তে।' সত্যৰ সদায় জয়। বাংলাদেশৰ মূলমন্ত্ৰ — 'আমাৰ সোণাৰ বাংলা, আমি তোমায় ভালবাসি।' সেই ধৰণে অসম সাহিত্য সভাৰ,





'চিৰচেনেহী মোৰ ভাষা জননী', 'ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ 'এক হৃদয় হো ভাৰত জননী', জীৱন বীমাৰ 'যোগ ক্ষেমম্ ৱহাম্যহম্' আদি আদি।

তেন্তে সমগ্ৰ অসমীয়া জাতিটোৰ কাৰণে কিবা এটা মূলমন্ত্ৰ — এটা (Motto), এটা (Logo) নালাগেনে ? নিশ্চয় লাগে। কিন্তু কোনটো মন্ত্ৰ লোৱা যায়? অসমীয়াই মন্ত্ৰস্বৰূপ সুন্দৰ সুন্দৰ বহুতো চুটি চুটি বাক্যৰ সৃষ্টি কৰিছে — 'সোণৰ অসম', 'আমি অসমীয়া নহওঁ দুখীয়া', 'দেশতকৈ মোমাই ডাঙৰ নহয়', 'জয় আই অসম বোল' আদি আদি ইত্যাদি ইত্যাদি।

কিন্তু এই গোটেইবিলাক সুন্দৰ হ'লেও সেইবোৰত কিবা যেন নাই নাই, কিবা যেন অপূৰ্ণ অপূৰ্ণ লাগে দেখো! এয়া যেন অসমীয়াৰ মূলমন্ত্ৰ (Logo) হ'ব নোৱাৰে। কিন্তু জগৎ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰীকৃষ্ণৰ মুখৰ পৰা আনি দিয়া এটি বাণী অসমীয়াৰ ল'গ' — মূলমন্ত্ৰ হোৱাৰ সমস্ত যোগ্যতা অৰ্জন কৰিছে। ই এহাতে কৰ্তব্যনিষ্ঠাৰ প্ৰতি সকীয়াই দিছে, অন্যহাতে বিশ্বশান্তি প্ৰতিষ্ঠাৰ সঁচাৰকাঠী আমাৰ হাতত দি দিছে। এই মূলমন্ত্ৰত আত্মা উদ্ধাৰৰ সমস্ত সামগ্ৰী ওতপ্ৰোত হৈ আছে। এই দিব্য মূলমন্ত্ৰ হ'ল —

**'সমস্ত প্ৰাণীকে দেখিবেক আত্মসম।'**

সম্পন্নক সম্পন্ন হৈ থকাটো এমুঠি শুভাকাংক্ষীয়ে বিচাৰে; সম্পন্নক বিপন্ন হোৱাটো বহু দুষ্ট বুদ্ধিয়ে বিচাৰে, বিপন্নক সম্পন্ন হোৱাটো বছা বছা সজ্জনে বিচাৰে কিন্তু বিপন্ন সম্পন্ন উভয়কে হৰিভক্তি পৰায়ণ হৈ আধ্যাত্ম জগতত প্ৰৱেশ কৰাটো কোনো বিৰলা কৃপাময় মহাপুৰুষে বিচাৰে। "কৃপাৰসে তুষ্ট হুয়া চিত্ত। লোকৰ হিতক চিন্তি নিত।' — *নাম-ঘোষা*

সন্ত শ্ৰীজ্ঞানেশ্বৰ মহাৰাজে মানৱ কল্যাণৰ কাৰণে শেষ প্ৰাৰ্থনা কৰিছে —

"কিম্ বহুনা সৰ্বসুখী। পূৰ্ণ হোঊনি তিহ্নী লোকী। ভজিজো জো আদি পুৰুখী। অখণ্ডিত।।"

— সকলো ব্যক্তি সুখী হৈ, তিনিও লোক পূৰ্ণ হৈ আদি পুৰুষ শ্ৰীনাৰায়ণক অখণ্ডিতৰূপে ভজনা কৰে যেন।

এইপিনে শ্ৰীমন্তয়ো ঘোষণা কৰিছে নিষ্ঠুৰ ভৌতিকতাবাদৰ সম্পন্ন বিপন্নতাৰ ঘোৰ অন্ধকাৰৰ পৰা টানি আনিবৰ হেতু —

"অথিৰ জীৱন ধনজন গৃহবাস।
হেনজানি ভকতিত কৰিয়ো বিশ্বাস।।" — *কীৰ্তন-ঘোষা*

"ক্ষণিকতো নাথাকে মনৰ যেন ছদ্ম।  
আৰ অৰ্থে নেৰিবা কৃষ্ণৰ পাদপদ্ম।।  
কাল অজগৰে গিলে তিলেকে মৰণ।  
কৃষ্ণৰ চৰণে লৈয়ো সত্বৰে শৰণ।।" — *কীৰ্ত্তন-ঘোষা*

বাহ্য সমৃদ্ধিৰ প্ৰাচুৰ্যত বহুতে পথ হেৰুৱালে, কিছুমানে কক্‌বকালে, কিছুমান ডুবিল।

"ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ঈশ্বৰত  
পৰাঙ্মুখ ভৈলা যিটো জন।  
যেন জীৰ্ণ গাই সিটো দুৰ্ঘোৰ সংসাৰ মহা  
পঙ্কে পৰি হোৱয় মগন।।"*(নাম-ঘোষা - ৫৮)*

কিছুমানে আক' সমৃদ্ধিৰ মায়া মৰীচিকা খেদি খেদি সৰ্বশ্ৰান্ত, সৰ্বহাৰা হ'ল। এই দুয়োবিধ ৰোগেই অসহ্য আৰু বেদনাদায়ক। এই ৰোগৰ পৰিণাম মৃত্যু বাৰে বাৰে —

"ন সাম্পৰায়ঃ প্ৰতিভাতি বালম্  
প্ৰমাদ্যন্তম্ বিত্ত মোহেন মূঢ়ম। অয়ং লোকো নাস্তি পৰ ইতি মানী  
পুনঃ পুনৰ্ ৱশমাপদ্যতে মে।। —*কঠোপনিষদ*

সাম্পৰায় বা ব্ৰহ্মবিদ্যা মূৰ্খই বুজিয়েই নাপায়। সি প্ৰমাদী আৰু বিত্তমোহত সম্মূঢ় হৈ যায়। 'এয়াই একমাত্ৰ লোক, পৰলোক নাই, বুলি ভবা এই মূৰ্খ বাৰে বাৰে মোৰ (মৃত্যুপতি যমৰ) বশ হৈ যায়।

'ক্ৰিটিক্ অফ্ প্যয়ৰ ৰিজন' লিখা বিখ্যাত জাৰ্মান দাৰ্শনিক ইমান্যুৱেল কাণ্টে প্ৰশ্নৰ উত্তৰৰ মাধ্যমেৰে জীৱনৰ মূলভূত সমস্যাৰ সমাধান বিচাৰিছে —

মই কি জানিব পাৰো? What can I Know?  
মই কি কৰা উচিত? What ought I to do?  
মই কিহৰ কাৰণে আশা কৰিব পাৰো? What may I hope for ?

উপনিষদৰ এই 'সাম্পৰায়' আৰু মনীষী কাণ্টৰ সেই প্ৰশ্ন — এই দুয়োটাৰে উত্তৰ দিছে শ্ৰীমন্ত শঙ্কৰে।





তেৰাই স্পষ্টভাৱে সমিধান দিছে —

কায় বাক্য মনে এহিসে বাঞ্ছোহো  
তোহ্মাত থাকোক মতি।  
জন্মে জন্মে মোৰ মনে নছাড়োক  
তোহ্মাৰ চৰণে ৰতি।।  
অৰুণ চৰণ চিত্তত থাকোক  
দুষ্মহ মৰণ দুখে।  
সংসাৰতে সাৰ ৰাম কৃষ্ণ নাম  
নুগুচোক মোৰ মুখে।।  
কৃষ্ণ কথা কৰ্ণে থাকোক সদায়  
এতেক প্ৰাৰ্থো তোমাক।  
হৌক সাধু সঙ্গ নৌক মনভঙ্গ  
তোমাৰ প্ৰভু সেৱাত।।  
প্ৰণত পালক তোমাৰ চৰণে  
লৈলোহো আৰে শৰণ।  
ভয় শোক মৃত্যু গুচয় যিমতে  
কৃপা কৰা নাৰায়ণ।।"

সাধুসঙ্গ লৈ, দুষ্মহ মৰণ দুখতো প্ৰভু-চৰণত ৰতি-মতি অবিচলিত ৰাখি, প্ৰভু-চৰণ সেৱাত নিমগ্ন হৈ ভয়, শোক আৰু মৃত্যুৰ ওপৰত বিজয়প্ৰাপ্ত কৰাই জীৱনৰ চৰম উদ্দেশ্য নহয় জানো?

পশ্চিমৰ বহু চিন্তাবিদে, আনকি এলবাৰ্ট চুইট্‌ঝাৰৰ নিচিনা মনীষীয়েও ভাৰতীয় দৰ্শনক জীৱন-বিমুখী, সংসাৰ-বিমুখী (Life negating, World negating, escapist) পলায়নবাদী দৰ্শন বুলি ভাবে, সমালোচনা কৰে, উলাই কৰে। কিন্তু তেওঁলোকৰ এই ধাৰণা অতি ভ্ৰান্ত আৰু বৰ উপৰুৱা। কাৰণ ভাৰতীয় দৰ্শনে জীৱন, জগত আৰু সংসাৰৰ যোগ্য, সম্যক মূল্যাঙ্কন কৰি, তাক যোগ্যস্থান দি যোগ্যতাৰে কৰ্তব্য পালন কৰাত সহায় কৰে।

সংযোগ-বিয়োগ, জন্ম-মৃত্যু, আৱাহন-বিসৰ্জন, জয়-পৰাজয়, হানি-লাভ, মান-অপমান, নিন্দা-স্তুতি, সুখ-দুখ, শীত-উষ্ণ— এই নৱবিধ হ'ল দ্বন্দ্ব। ই পৰিৱৰ্তনশীল আৰু অস্থায়ী। এই দ্বন্দ্বসমূহৰ স্বভাৱ সঠিকভাৱে বুজি ইয়াৰ নিদান, উপচাৰ আৰু

পথ্য কৰাটো বুদ্ধিমানৰহে লক্ষণ। তাকে নকৰি, বস্তুৰ বাহ্য স্বৰূপ নুবুজি, বাহ্য-প্ৰপঞ্চৰ চিক্‌মিকনিকে সঁচা বুলি দ্বন্দ্বসমূহৰ মিথ্যা উপহাৰ ভোগৰ ইচ্ছা হ'লেই হয় মৃগজল খেদি শ্ৰান্ত-ভ্ৰান্ত হৈ জীৱন নিপাত কৰিব লাগিব, নহয় প্ৰপঞ্চ প্ৰবাহৰ চাকনৈয়াত ওপঙিব-তল যাব লাগিব। বড়াৰ পোৱে ঠিক ধৰিছে—

"হে হৰি সাৰশূন্য মৃগতৃষ্ণাৰ্ণৱ জলে
শ্ৰান্ত হুয়া মহামোহ পাঞো।
স্নান পান আচমন কৰোহো ৰমণ তাতে
কতোহো উপঙ্গো তল যাঞো।।" —*নাম-ঘোষা, ৯৯*

সুখ-দুখৰ ভোগে, ভোগৰ তীব্ৰতাই, ক্লান্তি-অৱসাদ আৰু নিৰাশা আনে। ভৌতিক সুখবাদে জীৱনৰ প্ৰতি আনে এক গভীৰ অনাস্থা, ঘোষণা কৰায়— "জীৱন মূৰ্খই কোৱা এটা সাধুতকৈ আৰু একো বেছি নহয়। ইয়াত কোনো অৰ্থ নকৰা অন্তঃসাৰশূন্য বাজনাহে আছে।

*(Life is a tale, told by an idiot,*
*Full of sound and furies*
*Signifying nothing. – Shakespeare)*

ইয়াৰ সম্পূৰ্ণ বিপৰীত এটা বিচাৰ প্ৰবাহ, এক মঙ্গলময় জীৱনধাৰাই শক্তিশালী ৰূপে জীৱনক অৰ্থ প্ৰদান কৰি আহিছে। আনন্দ জীৱনৰ উৎস, আনন্দ জীৱনৰ স্থিতি আৰু আনন্দই জীৱনৰ গন্তব্যস্থান।

"আনন্দাদ্ধ্যেৱ খলু ইমানি ভূতানি জায়ন্তে
আনন্দেন জাতানি জীৱন্তি।
আনন্দম্ প্ৰয়ন্তি
অভিসং ৱিশন্তীতি। (তৈত্তিৰীয় উপ. আনন্দ মীমাংসা)

এই অৱধাৰণাক উপলব্ধি কৰি 'জীৱন-স্বৰ্গীয়', 'জীৱন দিব্য' (Life Divine) বুলি ঘোষণা কৰিবলৈ হ'লে প্ৰবাহৰ পৰা এই দ্বন্দ্বসমূহক পৃথক আৰু দূৰ কৰিবই লাগিব। আৰু এই প্ৰক্ৰিয়াকেই ভাৰতীয় জীৱনে গ্ৰহণ কৰিলে। সময়ত এই পৃথকীকৰণ ইমান তীব্ৰ হ'ল যে ৰজাই ৰাজসিংহাসন এৰিলে, ৰাজকুমাৰে ৰাজসিংহাসনৰ আশা এৰিলে। বহুত হ'ল যতী, বহুত হ'ল সন্ন্যাসী — সংসাৰত্যাগী, বিজনবাসী।





কিন্তু এই পৃথকী আৰু দূৰীকৰণৰ অন্য এটা শক্তিশালী প্ৰয়োগো এই ভাৰতবৰ্ষতেই হৈ গ'ল। এই প্ৰয়োগ বেছি সফল বেছি গ্ৰহণীয় হ'ল। পশ্চিমৰ অপবাদৰ এয়া যোগ্য উত্তৰ। অগ্নিয়ে জ্বলায় বুলিয়েই অগ্নি দেখিলেই ভয় খাবৰ বা নুমুৱাবৰ প্ৰয়োজন নাই। অগ্নিক বুকুতো নাবান্ধি যোগ্য স্থানত ৰাখি যোগ্য ব্যৱহাৰ কৰিলে সি আমাৰ সহায়ক হে হ'ব। অগ্নিয়েইতো সভ্যতা-সংস্কৃতিৰ আৰম্ভণি!

এই প্ৰয়োগৰ প্ৰবল সমৰ্থক আছিল ভাগৱতৰ শ্ৰীকৃষ্ণ। আৱিৰ্ভাৱৰ পৰা মহাপ্ৰয়াণলৈকে ইয়াৰ সফল প্ৰয়োগ কৰি গ'ল শ্ৰীকৃষ্ণই। **শ্ৰীকৃষ্ণ সংসাৰ বিমুখী নাছিল, সংসাৰ বিবেকী আছিল। পঙ্কত থাকিও পঙ্কজ হোৱাৰ দৰে সংসাৰত থাকিও, প্ৰবলভাৱে সংসাৰৰ সন্মুখীন হৈও নিৰ্লিপ্ততাৰে সংসাৰ বিজয় কৰি এই প্ৰয়োগক সফল কৰি দেখুৱালে। শ্ৰীকৃষ্ণই সংসাৰৰ কোনটো বিষয়ত হাত দিয়া নাই আৰু হাত দিয়া কোনটো বিষয়ত উদ্দাত্ত, উন্নীত, পূণীত কৰা নাই?**

এফালে চালে দেখিব যে শ্ৰীকৃষ্ণ মহাভোগী, মহাসংসাৰী। অন্যফালৰ পৰা চালে দেখিব শ্ৰীকৃষ্ণ মহাযোগী যোগেশ্বৰ, নিৰ্লিপ্ত, পৰমহংস, মহাসন্ন্যাসী। গোপীৰ লগত ৰাসক্ৰীড়াতো হাঁহি আৰু যদুবংশ ধ্বংস আৰু ব্যাধৰ শৰত বিদ্ধ হোৱাতো সেই একেই হাঁহি!

বোধহয় সেয়েহে শ্ৰীমন্ত শঙ্কৰে শ্ৰীকৃষ্ণক নিজৰ আদৰ্শ, হৃদয়ৰ আৰাধ্য, জীৱনৰ সেৱ্য কৰি ল'লে আৰু নিজে 'কৃষ্ণৰ কিঙ্কৰ' হৈ ৰ'ল।

জ্ঞান-বৈৰাগ্য-ভক্তিৰ চৰম উৎকৰ্ষত জ্ঞাতা-জ্ঞেয়-জ্ঞান, ধ্যাতা-ধ্যেয়-ধ্যান, সেৱ্য-সেৱক-সেৱা, ভক্ত-ভক্তি-ভগৱানৰ ত্ৰিপুতী সমাপ্ত হৈ এক অস্তিত্বমাত্ৰ ৰৈ যায়। শঙ্কৰৰ ক্ষেত্ৰতো কৃষ্ণ-কৃষ্ণভক্তি-কৃষ্ণ কিঙ্কৰ 'কৃষ্ণ শঙ্কৰ গুৰু হৰি' এক অস্তিত্বলৈ পৰিণত হ'ল। সেয়েহে লোকে শঙ্কৰক 'কৃষ্ণ' বুলিবলৈ ধৰিলে —

'কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত। নাম ধৰ্ম কৰিলা বিদিত।।' — *কীৰ্ত্তন-ঘোষা*

হয়, শ্ৰীকৃষ্ণই কৰাৰ দৰেই শ্ৰীমন্তয়ো জীৱনৰ প্ৰতিটো বিষয়ক দৰ্শন কৰিছিল, স্পৰ্শন কৰিছিল, কৰ্ষণ কৰিছিল। প্ৰপঞ্চৰ প্ৰতিটো ভোগ-প্ৰেৰণাক যোগ-চেতনালৈ উন্নীত কৰিছিল, কৰ্ষণ কৰিছিল। শ্ৰীমন্তই গাইছিল — গোৱাইছিল, কিন্তু কৃষ্ণৰ কাৰণে; নাচিছিল — নচাইছিল কিন্তু কৃষ্ণৰ কাৰণে ; অভিনয় কৰিছিল — কৰোৱাইছিল — কৃষ্ণৰ কাৰণেই। ঘূৰিছিল-ফুৰিছিল, চহাইছিল- বৈছিল, লিখিছিল-আঁকিছিল, কৰিছিল- কৰোৱাইছিল—সকলো কৃষ্ণৰ কাৰণে — এক মহান উদ্দেশ্যৰ কাৰণে। দুবাৰ গৃহবাস কৰিও, সন্তানৰ জন্ম দিও নিৰ্লিপ্ত আছিল সংসাৰত, লিপ্ত

আছিল কৃষ্ণত। শ্ৰীমন্ত শঙ্কৰে 'লাইফ নেগেশ্বন'ৰ দ্বাৰা নহয় 'লাইফ এফাৰশ্বন'ৰ দ্বাৰা আত্মশক্তিৰ কনফাৰমেশ্বনৰ দ্বাৰা জীৱনৰ প্ৰতিটো কাৰ্যক্ৰমক, প্ৰতিটো সৰু-বৰ ঘটনাক আধ্যাত্মিক কৰি জীৱনক মহাজীৱন, দিব্যজীৱন কৰাৰ উদাহৰণ দেখুৱাই গ'ল, উপদেশ দি গ'ল।

সৌ সিদিনা সাংস্কৃতিক বিপ্লৱৰ দ্বাৰা সমাজসুধাৰ, সমাজ সংস্কাৰৰ এটা ডাঙৰ প্ৰয়োগ কৰি গ'ল চীন দেশত মাও ঝে ডঙে। 'এ গ্ৰেট লীপ ফৰৱাৰ্ড'ৰ নামত বন্দুক হাতত লৈ দশ-লক্ষ মনুষ্যৰ বলি দি সমাজ সংস্কাৰৰ স্বপ্ন দেখিলে। কিন্তু তাৰ পৰিণাম কি হ'ল? মানৱ ইতিহাসৰ এটা কলঙ্কিত অধ্যায় লিখা গ'ল আৰু সেই ইতিহাসৰ লেখক মাও হ'ল ঘৃণাৰ পাত্ৰ, ভঙা গ'ল মাওৰ প্ৰকাণ্ড মূৰ্তিবোৰ — বৈ গ'ল মাও অৱজ্ঞা আৰু বিস্মৃতিৰ গৰ্ভত। হাতত অস্ত্ৰ লৈ বহুতে অন্যক শুধৰোৱাৰ প্ৰয়াস কৰিলে — হিৰণ্যকশিপু, ৰাৱণ, কংসৰ পৰা; চেংঘিজ খাঁ, ঔৰঙ্গজেৱ, ল'ৰ্‌ৱজাৰ পৰা মাও ঝে ডং, ফিডেল কাষ্ট্ৰ', কৰ্নেল গদ্দাফিলৈকে। পৰিণাম কিন্তু শূন্য।

এইক্ষেত্ৰত মনত পৰে মহান শিল্পী ৰোমাঁ ৰোলাঁৰ এষাৰ কথালৈ — " A single symphony of Beethoven is certainly worth half a dozen reforms."

বীথোভেনৰ এটা ঐক্যতানেই আধা ডজন সংস্কাৰতকৈও বেছি মূল্যৱান।

গৰম তেজৰ দুদিনীয়া উষ্মাত কোনো কোনো ডেকা ল'ৰাই কয় — "শঙ্কৰদেৱে অসমীয়া জাতিটোক ভোৰতাল বজোৱা, মাহ-প্ৰসাদ খোৱা, সুপসুপীয়া, অলোণী, নিৰামিষী, নিস্তেজ, অকৰ্মণ্য, সাহসহীন কৰি পেলালে। শঙ্কৰেই অসমীয়াৰ সকলো অনৰ্থৰ মূল।"

বাৰু, ক্ষন্তেকৰ বাবে মানি ল'লোঁ তোমালোকৰ যুক্তি। কিন্তু কোৱাচোন বাচাহঁত, এই 'শঙ্কৰ'টোক বাদ দি অসমীয়াই এতিয়ালৈকে কি কৰিলে? আৰু তোমালোকেই বা কৰিবা কি নতুন? শঙ্কৰক বাদ দিলে অসমীয়াৰ থাকে কি? শঙ্কৰে কমেও 'তিনিও ৰাজ্য' এক কৰি এক ভাষা, এক সংস্কৃতি, এক কাৰ্যক্ৰম কোচবিহাৰলৈকে দিব পাৰিছিল। সিফালে উত্তৰ বিহাৰৰ মৈথিলী নাটকৰ নান্দীস্তোত্ৰতো পূজনীয় হৈ বহিলগৈ। কিন্তু আমালোকেতো ৰাজ্য চপাই চপাই আনি বঙ্গাইগাঁও পোৱালাহি! আৰু এতিয়া বন্দুকৰ ধমধমনিয়ে দেখো বচাকুচাকণো মযিমূৰ





কৰিব। প্ৰেমৰ ডোলেৰে শঙ্কৰে বান্ধিছিল 'মিৰি-অসম-কছাৰী' মুছলমান-নগা-গাৰো সকলোকে। এতিয়া আমালোকে একা?

১৯৮২ চনত সন্ত ৱিনোবাজীৰ মহাপ্ৰয়াণৰ আগে আগে আমি এটা প্ৰশ্ন কৰিছিলোঁ- "বাবা, আজি অসমৰ মহা বিপদ; সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক — চাৰিওফালৰ আক্ৰমণ, অসম এতিয়া যাওঁ যাওঁ। এই ভয়ঙ্কৰ সন্ধিক্ষণত অসমীয়াৰ পৰিত্ৰাণৰ উপায় কি?"

**বাবা কিছুপৰ গম্ভীৰ হৈ ৰ'ল। ধ্যানস্থ হ'ল। পিছত লাহে লাহে ক'লে— "অসমীয়াক এটা কথা ক'বা — যেতিয়ালৈকে অসমীয়াই শঙ্কৰ-মাধৱক অনুকৰণ কৰি তেৰাসৰে দেখুৱাই দিয়া পথেদি চলি থাকিব তেতিয়ালৈকে জগতৰ কোনো শক্তিয়েই অসমীয়াক অনিষ্ট কৰিব নোৱাৰিব। কিন্তু যিদিনাই অসমীয়াই নিজেই শঙ্কৰ-মাধৱক পাহৰিব সেইদিনা আৰু জগতৰ কোনো শক্তিয়ে অসমীয়াক নিঃশেষ হোৱাৰ পৰা ৰক্ষা কৰিব নোৱাৰিব।"** — এই কথাৰ প্ৰমাণ যোৱা চাৰে পাঁচশ বছৰে সকলোৱে পাইছেই!

সিদিনা দিল্লীৰ তালকোটৰা ষ্টেডিয়াম সভাগৃহত লিটাৰেচী মেলা আছিল। ৰাষ্ট্ৰীয় পুৰস্কাৰ গ্ৰহণ কৰিবৰ কাৰণে আমাকো নিমন্ত্ৰণ কৰিলে। হাজাৰ হাজাৰ ব্যক্তিৰে সভাগৃহ ভৰি গৈছিল। কিৰণ বেদীকে প্ৰমুখ্য কৰি অনেক ভি আই পি, ভি ভি আই পি বহিলহি। বিভিন্ন প্ৰদেশৰ ৰং-বিৰঙীয়া সাংস্কৃতিক কাৰ্যক্ৰম পৰিৱেশন কৰা হৈছিল। আৰু অসমৰ পৰা? উদ্‌ঘোষিকাই উল্লেখ কৰিলে শ্ৰীমন্ত শঙ্কৰদেৱৰ নাম। নাগাৱা নামৰ লগত শঙ্কৰী সংস্কৃতি প্ৰাপ্তবয়স্ক শিক্ষাৰ লগত খাপখুৱাই সুন্দৰভাৱে পৰিৱেশন কৰিলে আমাৰ ডেকা-গাভৰুসকলে।

**মোৰ চকুৰ পৰা সৰসৰকৈ সৰি পৰিল চকুলো — শঙ্কৰৰ প্ৰতি কৃতজ্ঞতাত।**

**শঙ্কৰ, তুমি আমাক জাতি দিলা ; গৃহস্থ, তুমি আমাক জীৱন দিলা; শ্ৰীমন্ত, তুমি আমাক ভাষা-সংস্কৃতি-প্ৰাচুৰ্য দিলা; মহাপুৰুষ, তুমি প্ৰেমৰ আখৰেৰে আমাৰ হৃদয়-আকাশত লিখি দিলা ভক্তি সঞ্জীৱনী, কৃষ্ণ কৃষ্ণ ধ্বনি। আমাৰ জীৱনে জনমে জনমে পালে এক নিৰ্ভুল কাৰ্যক্ৰম, আমাৰ জাতিয়ে পালে চিৰদিনৰ কাৰণে এক মন্ত্ৰ, এক ল'গ' আৰু এক অস্তিত্বৰ নিৰ্ভয় স্বীকৃতি।❑**

*Scanned and stored on the Net by http://atributetosankaradeva.org/*
*Thursday, March 22, 2012*

*Title: - 'Kon Ache Sankarar Saman?'*
*Author:- Hem Bhai*

*Summary / Brief Description: - The unparalleled contribution of Sankaradeva and Madhavadeva in the formation of Assamese identity, 'Logo' and nationhood. Contains a quote from Vinoba Bhave, 'Tell the Assamese that as long as they continue to emulate Sankara and Madhava and move on their path, no power on earth can cause any harm to the Assamese. But the day the Assamese themselves forget Sankara and Madhava, no power on earth can save the Assamese from total effacement.'*

From the Book *'Phuro Huya Ami Anandita'*, a book on religion and philosophy written by Hem Bhai, Shanti Sadhana Ashram, Guwahati; 1st Edition, 1999

*For more documents and articles (in English as well as Assamese) on the Life, Works and Teachings* of ***Sankaradeva****, the propagator of* ***Eka-Sarana-Hari-Nāma-Dharma****, see:-*

- *http://atributetosankaradeva.org/ebooks.htm*
- *http://atributetosankaradeva.org/ebooks_assamese.htm*

*For Essays of Vaisnava Pandit* ***Sri Sonaram Chutiya****, see:-*

- *http://atributetosankaradeva.org/rachanavali.htm*